# অসম বিধান সভা

## তৰাচিহ্নিত প্ৰশ্ন নং - ৪

## উত্তৰ দিয়াৰ তাৰিখ – ০৬/০৭/২০২৬

**বিষয়ঃ** অসমত অপৰাধীৰ সংখ্যাৰ সম্পৰ্কে।

শ্ৰী অখিল গগৈ, বিধায়কঃ

মাননীয় গৃহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) ১ জুলাই ২০২৪ ৰ পৰা 'ভাৰতীয় ন্যায় সংহিতা' কাৰ্যকৰী হোৱাৰ পাছৰে পৰা চলিত ২০২৬ বৰ্ষৰ ৩০ জুনলৈকে, পূৰ্বৰ IPC ৰ 'Cognizable' ধাৰাৰ বিপৰীতে BNS-ৰ অধীনত 'Non-cognizable' বা কেৱল NC শ্ৰেণীত পঞ্জীয়ন কৰা গোচৰৰ জিলাভিত্তিক আৰু বৰ্ষভিত্তিক খতিয়ান কিমান?

(খ) চলিত 2026 চনত চৰকাৰে অসমত অপৰাধৰ হাৰ 28 শতাংশ হ্ৰাস পাইছে বুলি যি চৰকাৰী দাবী কৰিছে, সেই পৰিসংখ্যা প্ৰস্তুত কৰোতে কেৱল নিয়মীয়া এজাহাৰ (FIR) সমূহকহে গণনা কৰা হৈছে নে থানাসমূহত পঞ্জীয়ন হোৱা প্ৰতিটো GD Entry আৰু NC গোচৰৰ সংখ্যাকো ইয়াত অন্তৰ্ভুক্ত কৰা হৈছে? গৃহ বিভাগ আৰু SCRB-ৰ ডাটা সংগ্ৰহৰ সুনিৰ্দিষ্ট নীতিটো কি? জনাব।

(গ) কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ 'Mandatory Registration of FIR' ৰ নিৰ্দেশনা উলংঘা কৰি ভুক্তভোগীৰ পঞ্জীয়ন নকৰা জিলাভিত্তিক গোচৰৰ সংখ্যা দাখিল কৰিব আৰু 'Burking of Crime' কৰাৰ অভিযোগত বিগত পাঁচ বছৰত অসমৰ কিমানখন থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থা গ্ৰহণ কৰা হৈছে? তাৰ সবিশেষ তথ্য দাখিল কৰিব|

উত্তৰ

**গৃহ বিভাগৰ মাননীয় মন্ত্ৰী মহোদয় ড° হিমন্ত বিশ্ব শৰ্মা দেৱে উত্তৰ দিবঃ**

(ক) ১ জুলাই ২০২৪-ৰ পৰা 'ভাৰতীয় ন্যায় সংহিতা কাৰ্যকৰী হোৱাৰ পাছৰে পৰা চলিত ২০২৬ বৰ্ষৰ ৩০ জুনলৈকে, পূৰ্বৰ IPC ৰ 'Cognizable' ধাৰাৰ বিপৰীতে BNS-ৰ অধীনত 'Non-cognizable' বা কেবল NC শ্ৰেণীত পঞ্জীয়ন কৰা গোচৰৰ জিলাভিত্তিক আৰু বৰ্ষভিত্তিক খতিয়ান "Annexure A" ত উল্লেখ কৰা হল।

(খ) চলিত ২০২৬ চনত চৰকাৰৰ ঘোষণা মৰ্মে অসমত অপৰাধৰ হাৰ ২৮ শতাংশ হ্ৰাস পাইছে| এই পৰিসংখ্যা প্ৰস্তুত কৰোতে কেৱল নিয়মীয়া এজাহাৰ (FIR) সমূহকহে গণনা কৰা হৈছে। থানা সমূহত পঞ্জীয়ন হোৱা প্ৰতিটো GD Entry আৰু NC গোচৰৰ সংখ্যাক ইয়াত অন্তৰ্ভুক্ত কৰা হোৱা নাই।

ইয়াত উল্লেখ থাকে যে পূৰ্বেও (২০২৫ বা তাৰ আগতে) যি পৰিসংখ্যা প্ৰস্তুত কৰা হয় সেই সময় চোৱাতো কেৱল নিয়মীয়া এজাহাৰ সমূহকহে গননা কৰ হয়।

SCRB-এ ৰাজ্যৰ সকলো আৰক্ষী থানাৰ পৰা অপৰাধ-সম্পৰ্কীয় তথ্য (যেনে FIR, গ্ৰেপ্তাৰ, চাৰ্জশ্বীট, দোষী সাব্যস্ত হোৱা, নিখোজ ব্যক্তি, চুৰি হোৱা বাহন আদি) নিৰ্ধাৰিত ফৰ্মেটত সংগ্ৰহ কৰে।

এই তথ্যসমূহ সাধাৰণতে ৰাজ্যিক Crime and Criminal Tracking Network & Systems (CCTNS) সংগৃহীত তথ্য পৰীক্ষা, সত্যাপন আৰু সংকলন কৰি ৰাজ্যিক আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত পৰিসংখ্যা আৰু বিশ্লেষণৰ বাবে ব্যৱহাৰ কৰা হয়।

ব্যক্তিগত তথ্য সংগ্ৰহ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত প্ৰযোজ্য আইন, চৰকাৰী নিয়ম, গোপনীয়তা আৰু তথ্য-সুৰক্ষাৰ ব্যৱস্থা মানি চলা হয়।

অপৰাধৰ পৰিসংখ্যা সংগ্ৰহৰ পদ্ধতি: তথ্যৰ প্ৰবাহ সেই আৰক্ষী থানাৰ পৰা আৰম্ভ হয় য'ত চিনাক্তকৰণযোগ্য অপৰাধটো প্ৰথম তথ্য প্ৰতিবেদন (এফআইআৰ) ৰ ৰূপত ৰিপৰ্ট কৰা হয়। ইয়াৰ পিছত তথ্যসমূহ জিলা অপৰাধ অভিলেখ ব্যুৰোৰ পৰা ৰাজ্যিক অপৰাধ অভিলেখ ব্যুৰোলৈ প্ৰবাহিত হয় আৰু একেখিনি অৱশেষত ৰাষ্ট্ৰীয় অপৰাধ অভিলেখ ব্যুৰোৱে একত্ৰিত কৰে।

অপৰাধৰ পৰিসংখ্যা সংগ্ৰহৰ পদ্ধতি তলত উল্লেখ কৰা হল:-

**থানাৰ অপৰাধ** → **জিলা অপৰাধ অভিলেখ ব্যুৰো** (DCRB) → **ৰাজ্যিক অপৰাধ অভিলেখ ব্যুৰো** (SCRB)/C.I.D.) → **ৰাষ্ট্ৰীয় অপৰাধ অভিলেখ ব্যুৰো** (NCRB) → **অপৰাধ ব্যুৰো**

(গ) কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ 'Mandatory Registration of FIR' ৰ নিৰ্দেশনা অসম চৰকাৰৰ দ্বাৰা উলংঘা কৰা হোৱা নাই। গোচৰ পঞ্জীয়ন নকৰা অভিযোগটো সত্য নহয়। কাৰণ অভিযোগকাৰীৰ পৰা পোৱা প্ৰতিটো ধৰ্তব্য অপৰাধৰ গোচৰ ৰুজু কৰা হয়।

এই ক্ষেত্ৰত 'Burking of Crime' ৰ প্ৰশ্ন নুঠে আৰু কোনো থানাৰ ভাৰপ্ৰাপ্ত বিষয়াৰ বিৰুদ্ধে এনে কোনো অভিযোগ পোৱা হোৱা নাই।

বি.দ্ৰঃ উত্তৰৰ প্ৰতিলিপি **NeVA Portal** ত **upload** কৰা হৈছে।

ঃঃঃঃঃঃঃঃঃঃঃ

**Annexure A**

## Dy No-11 Point No. (ক) asked by Akhil Gogoi, Hon'ble MLA

| SL | District | Year | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | 2024 | | | 2025 | | | 2026 | | |
| | | IPC Cognizable Cases | BNS Cognizable Cases | BNS Non-Cognizable Cases | IPC Cognizable Cases | BNS Cognizable Cases | BNS Non-Cognizable Cases | IPC Cognizable Cases | BNS Cognizable Cases | BNS Non-Cognizable Cases |
| 1 | BAJALI | 197 | 152 | 0 | 7 | 302 | 0 | 0 | 134 | 0 |
| 2 | BAKSA | 317 | 262 | 0 | 1 | 384 | 0 | 0 | 155 | 0 |
| 3 | BARPETA | 789 | 508 | 0 | 9 | 1166 | 0 | 1 | 614 | 0 |
| 4 | BISWANATH | 444 | 296 | 0 | 6 | 775 | 0 | 1 | 434 | 0 |
| 5 | BONGAIGAON | 625 | 417 | 0 | 5 | 818 | 0 | 1 | 411 | 0 |
| 6 | CACHAR | 1338 | 1168 | 0 | 20 | 2175 | 0 | 4 | 1046 | 0 |
| 7 | CHARAIDEO | 184 | 149 | 0 | 2 | 314 | 0 | 2 | 160 | 0 |
| 8 | CHIRANG | 292 | 222 | 0 | 4 | 439 | 0 | 1 | 263 | 0 |
| 9 | CITY GHTY | 3712 | 3235 | 0 | 74 | 5222 | 0 | 21 | 2219 | 0 |
| 10 | DARRANG | 616 | 476 | 0 | 14 | 835 | 0 | 2 | 451 | 0 |
| 11 | DHEMAJI | 385 | 300 | 0 | 9 | 667 | 0 | 5 | 304 | 0 |
| 12 | DHUBRI | 875 | 779 | 0 | 46 | 1911 | 0 | 6 | 912 | 0 |
| 13 | DIBRUGARH | 862 | 688 | 0 | 25 | 1353 | 0 | 1 | 550 | 0 |
| 14 | DIMA HASAO | 85 | 54 | 0 | 0 | 155 | 0 | 0 | 67 | 0 |
| 15 | GOALPARA | 668 | 445 | 0 | 8 | 971 | 0 | 2 | 563 | 0 |
| 16 | GOLAGHAT | 499 | 424 | 0 | 7 | 1003 | 0 | 1 | 585 | 0 |
| 17 | HAILAKANDI | 582 | 293 | 0 | 6 | 559 | 0 | 1 | 357 | 0 |
| 18 | HAMREN | 83 | 42 | 0 | 1 | 76 | 0 | 1 | 50 | 0 |
| 19 | HOJAI | 760 | 564 | 0 | 11 | 1230 | 0 | 5 | 584 | 0 |
| 20 | JORHAT | 529 | 566 | 0 | 14 | 1286 | 0 | 1 | 462 | 0 |
| 21 | KAMRUP | 2088 | 1683 | 0 | 11 | 3001 | 0 | 6 | 1365 | 0 |
| 22 | KARBI ANGLONG | 253 | 208 | 0 | 4 | 441 | 0 | 2 | 258 | 0 |
| 23 | KOKRAJHAR | 458 | 306 | 0 | 8 | 721 | 0 | 1 | 333 | 0 |
| 24 | LAKHIMPUR | 550 | 530 | 0 | 8 | 1188 | 0 | 5 | 573 | 0 |
| 25 | MAJULI | 84 | 69 | 0 | 0 | 110 | 0 | 1 | 68 | 0 |
| 26 | MORIGAON | 821 | 591 | 0 | 24 | 1362 | 0 | 0 | 587 | 0 |
| 27 | NAGAON | 1929 | 1678 | 0 | 41 | 3298 | 0 | 1 | 1683 | 0 |
| 28 | NALBARI | 643 | 575 | 0 | 13 | 874 | 0 | 4 | 320 | 0 |
| 29 | SIVASAGAR | 211 | 186 | 0 | 3 | 446 | 0 | 0 | 324 | 0 |
| 30 | SRIBHUMI | 1377 | 698 | 0 | 13 | 1519 | 0 | 2 | 504 | 0 |
| 31 | SADIYA | 74 | 91 | 0 | 1 | 182 | 0 | 0 | 56 | 0 |
| 32 | SONITPUR | 842 | 785 | 0 | 31 | 1645 | 0 | 1 | 775 | 0 |
| 33 | SOUTH SALMARA | 392 | 217 | 0 | 4 | 443 | 0 | 1 | 261 | 0 |
| 34 | TINSUKIA | 629 | 641 | 0 | 7 | 1242 | 0 | 1 | 519 | 0 |
| 35 | TAMULPUR | 188 | 205 | 0 | 5 | 418 | 0 | 1 | 153 | 0 |
| 36 | UDALGURI | 443 | 330 | 0 | 10 | 592 | 0 | 0 | 184 | 0 |
| 37 | GRP | 298 | 263 | 0 | 3 | 507 | 0 | 2 | 234 | 0 |
| 38 | CID | 18 | 2 | 0 | 11 | 23 | 0 | 4 | 11 | 0 |
| 39 | STF | 5 | 7 | 0 | 0 | 6 | 0 | 0 | 2 | 0 |
| 40 | V & AC | 21 | 3 | 0 | 13 | 6 | 0 | 6 | 2 | 0 |
| **Total** | | **25166** | **20108** | **0** | **479** | **39665** | **0** | **94** | **18533** | **0** |